**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 20-02-2026 **Time :** 1205 Hrs.

Headlines

১। দুদিনীয়া ভ্ৰমণসূচীৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম ভ্ৰমণ।

২। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত আজি কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাৰ উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অহা ১৪ মাৰ্চত বৰাক উপত্যকালৈ আগমন।

আৰু

৪। অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উদ্যোগত যোৰহাট জিলা প্ৰশাসনৰ **হৰ ঘৰ চি পি আৰ** অভিযানৰ শুভ উদ্বোধন।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ দুদিনীয়া ভ্ৰমণসূচীৰে আজি অসমলৈ আহিব। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত শ্ৰী শ্বাহে কাচাৰ জিলাত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায় আনুষ্ঠানিকভাৱে মুকলি কৰিব। এই কাৰ্যসূচীত সীমামূৰীয়া গাঁওসমূহৰ উন্নয়ন আৰু সীমান্তৱৰ্তী অঞ্চলৰ জনসাধাৰণৰ বাবে বহনক্ষম কৰ্মসংস্থাপন সৃষ্টিত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। ২০২৮-২৯ বিত্তীয় বৰ্ষ পৰ্যন্ত ৰূপায়ণ হ'বলগীয়া এই কাৰ্যসূচীৰ বাবে ছহেজাৰ ৮০০ কোটিৰো অধিক ধন ধাৰ্য কৰা হৈছে। এই কাৰ্যসূচীয়ে সীমান্তৱৰ্তী অঞ্চলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে সীমান্তৰে হোৱা অপৰাধ নিয়ন্ত্ৰণ আৰু অভ্যন্তৰীণ সুৰক্ষা সুদৃঢ় কৰাত অৰিহণা যোগাব বুলি আশা কৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে লগতে ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী নাটানপুৰত থকা বি এছ এফৰ সীমান্ত চকী পৰিদৰ্শন কৰিব আৰু সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ অগ্ৰগতি আৰু সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনা কৰিব। তেওঁ এখন নিৰ্বাচনী সভাত ভাষণ দিব আৰু বৰাক উপত্যকাত দলৰ নিৰ্বাচনী প্ৰচাৰ অভিযানৰ শুভাৰম্ভ কৰিব। ইয়াৰ পাছতে শ্ৰীশ্বাহ ত্ৰিপুৰাৰ আগৰতলালৈ যাব আৰু সন্ধিয়া অসমলৈ উভতি আহিব।

শ্ৰী শ্বাহে কাইলৈ গুৱাহাটীৰ সৰুসজাইত চি আৰ পি এফৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা। কেন্দ্ৰীয় বাহিনীটোৱে এইবাৰ প্ৰথমবাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত প্ৰতিষ্ঠা দিৱসৰ ৰাষ্ট্ৰীয় কুচকাৱাজৰ আয়োজন কৰিছে। তেওঁ লগতে সোণাপুৰৰ কচুতলীত দশম অসম আৰক্ষী বেটেলিয়নৰ নতুন ছাউনীৰ আধাৰশিলা স্থাপন কৰিব। গৃহমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণকালত বিজেপিৰ নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা সন্দৰ্ভত চূড়ান্ত আলোচনা হোৱাৰ সম্ভাৱনা আছে।

ooooo

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাৰ মুঠ ৭ হাজাৰ ২৭৩ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। কাছাৰ জিলাৰ ৩ হাজাৰ ৭০২গৰাকী, শ্ৰীভূমি জিলাৰ দুহেজাৰ ৩৯২গৰাকী আৰু হাইলাকান্দিৰ এহেজাৰ ১৭৯গৰাকী উদ্যমীয়ে এই আঁচনিৰ অধীনত আৰ্থিক সাহায্য লাভ কৰিব। এই উপলক্ষে আজি শিলচৰৰ আই এছ বি টিত বিয়লি ৪ বজাত

আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, কৌশিক ৰায়, কৃষ্ণেন্দু পাল, সাংসদ পৰিমল শুক্লবৈদ্যকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

এই অনুষ্ঠানতে আজি অম্রুত অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাছাৰ জিলাৰ পানীযোগান ব্যৱস্থাত নৱতম সংযোজন হিচাপে দুটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰা হ'ব। জিলাখনৰ লক্ষীপুৰ নগৰত ২০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা পানীযোগান প্ৰকল্পটো আজি উদ্বোধন কৰা হ'ব। এই প্ৰকল্পৰ জৰিয়তে লক্ষীপুৰ নগৰৰ ১০ টা ৱাৰ্ডত মুঠ চাৰি হাজাৰ নলযোগে খোৱাপানী সংযোগ স্থাপনৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ ফলত প্ৰায় দুহেজাৰ ৫৫ টা পৰিয়াল উপকৃত হ'ব। তদুপৰি অম্রুত অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ৩২ কোটি টকা ব্যয়সাপেক্ষে শিলচৰ পয়ঃপ্ৰণালী নিষ্কাশন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ১৪ মাৰ্চত বৰাক উপত্যকা ভ্ৰমণসূচীৰে শিলচৰত উপস্থিত হ'ব। প্ৰধানমন্ত্ৰীয়ে পাঁচগ্ৰামৰ পৰা বৰাপানীলৈ এক্সপ্ৰেছ কৰিড'ৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি শিলচৰত এই কথা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কাছাৰ জিলাৰ হিলাৰাত ষ্টাৰ চিমেণ্ট লিমিটেডৰ এটা নতুন উৎপাদন গোট উদ্বোধন কৰি কয় যে প্ৰধানমন্ত্ৰীয়ে অহা ১৪ মাৰ্চত শিলচৰৰ কেপিটেল পইণ্টৰ পৰা ৰাঙিৰখাৰীলৈ উৰণ সেতু নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ফাকুৱা উৎসৱৰ পাছতেই বিধানসভা নিৰ্বাচনৰ বাবে বিজেপি প্ৰাৰ্থীৰ নাম ঘোষণা কৰা হ'ব বুলি প্ৰকাশ কৰে।

বাইট (চি এম)

০০০০০

অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উদ্যোগত আজি যোৰহাট জিলা প্ৰশাসনৰ **হৰ ঘৰ চি পি আৰ** অভিযানৰ শুভ উদ্বোধন কৰা হয়। উদ্বোধনী সভাত জিলা আয়ুক্ত জয় শিৱানীয়ে যোৰহাটৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰা আৰু অন্যান্য বিশিষ্ট ব্যক্তিৰ উপস্থিতিত যোৰহাট থিয়েটাৰৰ মুকলি প্ৰেক্ষাগৃহত এই জনকল্যাণমূলক আঁচনিখন মুকলি কৰে।

এটি জীৱন, এটা সুযোগ, চি পি আৰ শিকক, এটা জীৱন বচাওক - এই মূলমন্ত্ৰৰে ২০২৬ বৰ্ষৰ ভিতৰত যোৰহাট জিলাৰ ১ লাখ লোকক জৰুৰীকালীন চি পি আৰ কৌশল প্ৰদান কৰাৰ অভিলাষী লক্ষ্য গ্ৰহণ কৰা হৈছে। হৃদ ৰোগত আক্ৰান্ত লোকক সঠিক সময়ত চি পি আৰ প্ৰদান কৰি কেনেকৈ এটি বহুমূলীয়া জীৱন বচাব পাৰি, সেই সন্দৰ্ভত সজাগতা সৃষ্টি কৰাই এই অভিযানৰ মূল লক্ষ্য।

০০০০০

নিখিল ভাৰত কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা স্ক্ৰীনিং কমিটীৰ অধ্যক্ষ প্ৰিয়ংকা গান্ধীয়ে আজি পুৱাৰ ভাগত সোণাপুৰস্থিত জুবিন ক্ষেত্ৰ পৰিদৰ্শন কৰে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে শ্ৰীমতী গান্ধীক এই ভ্ৰমণত সংগ দিয়ে। জুবিন ক্ষেত্ৰত সৰ্বভাৰতীয় কংগ্ৰেছ নেত্ৰীগৰাকীয়ে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। ইয়াৰ পাছতে তেওঁ ৰাজীৱ ভৱনলৈ আহে আৰু প্ৰদেশ কংগ্ৰেছৰ তিনিগৰাকী কাৰ্যকৰী সভাপতিৰ সৈতে বাৰ্তালাপ কৰে। পৰৱৰ্তী সময়ত শ্ৰীমতী গান্ধীয়ে অসম কংগ্ৰেছ কমিটীৰ বিভিন্ন কমিটী আৰু আৰু শাখাৰ নেতৃত্বৰ লগত মত-বিনিময় কৰে।

০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ সুৰক্ষা তথা শান্তি-শৃংখলা বজাই ৰখাৰ প্ৰতি লক্ষ্য ৰাখি গোলাঘাট জিলা দণ্ডাধীশে এটা নিৰ্দেশ জাৰি কৰিছে। সেই অনুসৰি জিলাখনৰ মাৰণাস্ত্ৰৰ অনুজ্ঞাপত্ৰ থকা লোকসকলক নিজ নিজ অস্ত্ৰ আৰু গুলীবাৰুদসমূহ শীঘ্ৰেই আৰক্ষী থানাত জমা দিবলৈ নিৰ্দেশ দিয়া হৈছে। অৱশ্যে এই নিৰ্দেশ সশস্ত্ৰ বাহিনী, আৰক্ষী আৰু কৰ্তব্যৰত অনুমোদিত চৰকাৰী বিষয়াৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে। এই নিৰ্দেশ উলংঘা কৰিলে অস্ত্ৰ আইনৰ অধীনত আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও কোৱা হৈছে।

০০০০০০০

বিশিষ্ট কথাশিল্পী তথা চলচ্চিত্ৰ নিৰ্মাতা ড° ভবেন্দ্ৰনাথ শইকীয়াৰ ওপজা দিন উপলক্ষে আজি কথাশিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হৈছে। অনুভূতি সম্পন্ন আৰু মননশীল ৰচনাৰে অনুৰাগীসকলক আলোড়িত কৰা ড° শইকীয়াই কবিতা, নাটক, গল্প, উপন্যাস, প্ৰবন্ধ, সমালোচনা, শিশু সাহিত্য আৰু আত্মজীৱনীৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰি থৈ গৈছে। প্ৰান্তিক আৰু শিশু আলোচনী সঁফুৰাৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰা ভবেন্দ্ৰ নাথ শইকীয়া পৰিচালিত ৮ খন চলচ্চিত্ৰৰ আটাইকেইখনেই ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰে সন্মানিত হৈছে। নাট্য পৰিচালনাৰ ক্ষেত্ৰত যশস্যা অৰ্জন কৰা সাহিত্যিকগৰাকীয়ে আকাশবাণীৰ বাবে নাটক ৰচনাৰ লগতে ভ্ৰাম্যমানৰ বাবে ২৭ খন নাটক ৰচনা আৰু কেইবাখনো পৰিচালনা কৰি সুখ্যাতি অৰ্জন কৰি গৈছে। ১৯৭৬ চনত তেওঁ সাহিত্য একাডেমী, ১৯৯০ চনত অসম উপত্যকা সাহিত্য বঁটা লাভ কৰাৰ উপৰি পদ্মশ্ৰী সন্মানেৰেও সন্মানিত হৈছিল।

ড° ভবেন্দ্ৰনাথ শইকীয়াৰ ওপজা দিন উপলক্ষে আৰোহণৰ উদ্যোগত আৰু অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা সঞ্চালকালয়ৰ সহযোগত আজি আৰু কাইলৈ গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত ড° ভবেন্দ্ৰনাথ শইকীয়া সোঁৱৰণি নাট সমাৰোহ আৰু বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে সন্ধিয়া চাৰে পাঁচ বজাত আয়োজিত অনুষ্ঠানত গল্পকাৰ ড° নমিতা বৈশ্যক ২০২৫ বৰ্ষৰ বাবে ভবেন্দ্ৰ নাথ শইকীয়া বঁটা প্ৰদান কৰা হ'ব। এই বঁটাত - ৫০ হাজাৰ টকা, প্ৰশস্তি পত্ৰ আৰু স্মাৰক আৰু কিতাপৰ টোপোলা আছে। ইয়াৰ লগতে পদ্মশ্ৰী সন্মানেৰে সন্মানিত নুৰুদ্দিন আহমেদক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হ'ব। বঁটা প্ৰদানৰ পাছতে আজি সন্ধিয়া চাৰে ৬ বজাত নটসূৰ্য্য মলয়া গোস্বামীৰ পৰিচালনাৰে 'আলি দোমোজাত' শীৰ্ষক নাটখন মঞ্চস্থ কৰিব। কাইলৈ সন্ধিয়া ছিগালৰ উদ্যোগত ভবেন্দ্ৰনাথ শইকীয়াৰ ৰচনা আৰু বাহাৰুল ইছলামৰ পৰিচালনাৰে 'আকাশ' নাটখন মঞ্চস্থ কৰা হ'ব। নাটৰ পূৰ্বে আৰোহনৰ ছাত্ৰ-ছাত্ৰীসকলে গীত-মাতৰ অনুষ্ঠান পৰিৱেশন কৰিব।

০০০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ দ্বাৰা পৰহিলৈৰ পৰা ২০২৫-২৬ বৰ্ষৰ চৰচ মেলাৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত হ'বলগীয়া এই মেলা ৮ মাৰ্চত সমাপ্ত হ'ব। গ্ৰাম্য উদ্যোগী, আত্মসহায়ক গোট আৰু থলুৱা কাৰিকৰসকলৰ নিৰ্মিত সামগ্ৰীৰে চৰচ মেলাত ৰাজ্যখনত তৃণমূল পৰ্যায়ৰ অৰ্থনীতি সবলীকৰণৰ পথসমূহ প্ৰদৰ্শন কৰা হ'ব।

০০০০০০০

ধুবুৰী জিলাৰ চাপৰ আৰক্ষীয়ে আজি পুৱতি নিশা অভিযান চলাই বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰে। আৰক্ষীয়ে চাবোনৰ বাকচত মাদক দ্ৰব্য সৰবৰাহৰ সময়ত জিয়াউৰ ৰহমান নামৰ সৰবৰাহকাৰীজনক হাতে-লোটে ধৰা পেলায়। অধিক তথ্যৰ বাবে লোকজনক সোধাপোচা কৰা হৈছে।

০০০০০০০

আই চি চি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি শ্ৰীলংকাৰ পাল্লেকেলে ষ্টেডিয়ামত হ'বলগীয়া লীগ পৰ্যায়ৰ অন্তিমখন খেলত অষ্ট্ৰেলিয়া ওমানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। দুয়োটা দল ইতিমধ্যে প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। গ্ৰুপ বিৰ পৰা জিম্বাবুৱে আৰু শ্ৰীলংকাই ছুপাৰ এইটত প্ৰৱেশ কৰিছে। ছুপাৰ এইটৰ খেলসমূহ কাইলৈৰ পৰা অনুষ্ঠিত হ'ব। কাইলৈ কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত পাকিস্তান আৰু নিউজিলেণ্ড মুখামুখি হ'ব।

প্ৰতিযোগিতাত চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত যোৱানিশা অনুষ্ঠিত এখন খেলত আফগানিস্তানে কানাডাক ৮২ ৰানত পৰাস্ত কৰে।

০০০০০০০

**সমাপ্ত**